আল্লাহে আকাশমণ্ডল আৰু পৃথিৱী সৃষ্টি কৰাৰ পঞ্চাচ হাজাৰ বছৰ আগতেই সকলো সৃষ্টিৰ ভাগ্য লিখিছে

আব্দুল্লাহ ইবনু আমৰ ইবনিল আচ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছে মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামক কোৱা শুনিছোঁ তেখেতে কৈছেঃ আল্লাহে আকাশমণ্ডল আৰু পৃথিৱী সৃষ্টি কৰাৰ পঞ্চাচ হাজাৰ বছৰ আগতেই সকলো সৃষ্টিৰ ভাগ্য লিখিছে। তেখেতে কৈছেঃ তেতিয়া আল্লাহৰ আৰচ আছিল পানীৰ ওপৰত। [ছহীহ] [(মুছলিম)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এই সংবাদ দিছে যে, আকাশমণ্ডল আৰু পৃথিৱী সৃষ্টিৰ পঞ্চাচ হাজাৰ বছৰ আগতেই আল্লাহে সকলো সৃষ্টিৰ ভাগ্য বিতংভাৱে লিপিবদ্ধ কৰিছে লাওহে মাহফুজত, যেনে- সিহঁতৰ জীৱন, মৰণ, জীৱিকা আদি। মহান আল্লাহে যিটো ফয়চালা কৰিছে সেইমতেই সংঘটিত হৈ আছে। এতেকে সংঘটিত হ'বলগীয়া প্ৰতিটো বস্তুৱেই আল্লাহৰ সিদ্ধান্ত অনুযায়ী আৰু তেওঁৰ নিৰ্ধাৰণ অনুপাতে হয়। এতেকে বান্দাই যিটো লাভ কৰিছে সেইটো সি নোপোৱাৰ কোনো প্ৰশ্নই নুঠে, আৰু যিটো সি পোৱা নাই সেইটো সি নাপাবলগীয়াই আছিল।

http://sunnah.global/hadeeth/as/show/65038